5th sma.

Q অৰ্থনৈতিক উন্নয়নৰ জোখ সমূহ কি কি? আলোচনা কৰক।

Ans→ বিভিন্ন অৰ্থনীতিবিদে, অৰ্থনৈতিক উন্নয়নৰ সংজ্ঞা বিভিন্ন ধৰণে আগবঢ়াইছে আৰু সেই হিচাপে অৰ্থনৈতিক উন্নয়নৰ জোখও বিভিন্ন ধৰণে উল্লেখ কৰিছে। তলত অৰ্থনৈতিক উন্নয়নৰ প্ৰধান জোখ সমূহ আলোচনা কৰা হল।

(১) জাতীয় আয়: Professor Kuznet, Meier and Badin আদি অৰ্থনীতিবিদ সকলে জাতীয় আয় বৃদ্ধিক অৰ্থনৈতিক উন্নয়নৰ সঠিক জোখ হিচাপে গ্ৰহণ কৰিছে। অৰ্থনীতিবিদ Meier and Badin ৰ মতে অৰ্থনৈতিক উন্নয়ন হবলৈ হলে দীৰ্ঘকালীন সময়ত দেশৰ জাতীয় আয় বা উপাৰ্জন বৃদ্ধি হব লাগিব। দেশত যেনেদৰে বিভিন্ন খণ্ডত বিনিয়োগ কৰা হয় সেই খণ্ডত দেশৰ আয়, উপাৰ্জন বৃদ্ধি পায়। সেয়ে অধিকাংশ অৰ্থনীতিবিদে নিৰ্দিষ্ট দীৰ্ঘকালীন সময়ত জাতীয় আয় বৃদ্ধিক অৰ্থনৈতিক উন্নয়নৰ সূচক বুলি কব বিচাৰে।

(২) জনমূৰি আয় বৃদ্ধি: Prof. Paul. Baran ৰ মতে জনমূৰি আয় হৈছে অৰ্থনৈতিক উন্নয়নৰ সঠিক জোখ। এখন দেশত যদি প্ৰকৃত জনমূৰি আয় বৃদ্ধি হয়, তেতিয়া হলেহে দেশৰ উন্নয়ন সম্ভৱ হয়। সেয়ে বহুতো অৰ্থনীতিবিদে অকল জাতীয় আয় বৃদ্ধিক উন্নয়নৰ সূচক হিচাপে মানি লব নিবিচাৰে। জাতীয় আয়ৰ বিপৰীতে জনমূৰি আয় বৃদ্ধি হলেহে অৰ্থনীতি দেশখনৰ উন্নয়ন হৈছে বুলি ধৰা হয়।

(৩) জনমূৰি কল্যাণ: Prof Colin Clark আদি অৰ্থনীতিবিদ সকলৰ মতে জনমূৰি কল্যাণ বৃদ্ধিহে হৈছে অৰ্থনৈতিক-

উন্নয়নৰ প্ৰধান জোখ। কেৱল এমনৰ জাতীয় আয় বৃদ্ধি আৰু জনমুৰি আয় বৃদ্ধিয়ে অৰ্থনৈতিক উন্নয়ন বুলি কব নোৱাৰি, যদিহে দেশৰ জনসাধাৰণৰ অৰ্থনৈতিক কল্যাণ বৃদ্ধি নহয়। দেশৰ জাতীয় আয় বা সম্পদ যদি জনসাধাৰণৰ কল্যাণৰ কাৰণে ব্যৱহাৰ নহয় তেতিয়া হলে দেশৰ অৰ্থনৈতিক উন্নয়ন সম্ভৱ নহয়।

(৪) ~~উৎপাদন~~ জনসংখ্যা বৃদ্ধি: জনসংখ্যা বৃদ্ধিকো আৰ্থিক উন্নয়নৰ জোখ বুলি কব পাৰি। জনসংখ্যা অধিকলে আৰ্থিক উন্নয়ন সম্ভৱ নহয়। জনসংখ্যাৰ আকাৰ, আয়তনে অৰ্থনৈতিক উন্নয়নত প্ৰভাৱ পেলায়। জনসংখ্যাৰ কাম্য বৃদ্ধিক অৰ্থনৈতিক উন্নয়নৰ সূচক বুলি গণ্য কৰা হয়।

(৫) মূলধন-উৎপাদনৰ হাৰ: অৰ্থনৈতিক উন্নয়নৰ আনটো জোখ হৈছে মূলধন-উৎপাদনৰ হাৰ। মূলধন-উৎপাদনৰ অনুপাতে দেশৰ জাতীয় উৎপাদনত প্ৰভাৱ পেলায়। মূলধনৰ উৎপাদনৰ অনুপাতে এক নিৰ্দিষ্ট পৰিমাণৰ মূলধনী বিনিয়োগৰ পৰা হব পৰা উৎপাদনৰ হাৰ নিৰ্ণয় কৰে।

Professor Walter Krause-এ অৰ্থনৈতিক উন্নয়নৰ তিনিটা বিশেষ জোখৰ কথা উল্লেখ কৰিছে যাতে আৰ্থিক উন্নয়ন হৈছে নে নাই তাক জানিব পাৰি সেই জোখ বা পৰিমাপ কেইটা হৈছে—

(ক) আয় বা উপাৰ্জন কিছু নিৰ্দিষ্ট সময়লৈকে ক্ৰমে বাঢ়িবই লাগিব অৰ্থাৎ প্ৰতি বছৰে ক্ৰম-অনুসাৰে বাঢ়িবই লাগিব।

(খ) এই আঁচনিৰ সফল জনসাধাৰণ সামগ্ৰীকভাৱে উপকৃত হবই লাগিব।

(গ) জনপ্ৰতি আয় বৃদ্ধিতকৈ জনসংখ্যাৰ পৰিমাণ কম হব লাগিব।

—x—

Scanned with CamScanner